63/1 (SEM–2) MIL1/ASMCS2026

**2 0 2 3**

ASSAMESE

Paper : ASMCS2026

**( Introduction to Assamese Poetry and Drama )**

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা (যি কোনো ছয়টা) : ১×৬=৬

(ক) "প্ৰতিমাখনি যদিও সৰু কিন্তু নিভাঁজ সোণৰ।" বুলি কোনে মন্তব্য কৰিছিল?

*(i)* হেমচন্দ্ৰ বৰুৱাই

*(ii)* লক্ষ্মীনাথ বেজবৰুৱাই

*(iii)* গুণাভিৰাম বৰুৱাই

*(iv)* বাণীকান্ত কাকতিয়ে

(খ) 'হে অৰণ্য, হে মহানগৰ' কাব্যগ্ৰন্থখনৰ ৰচক কোন?

*(i)* হেম বৰুৱা

*(ii)* ভবানন্দ দত্ত

*(iii)* নৱকান্ত বৰুৱা

*(iv)* হৰি বৰকাকতি

(ঞ) প্ৰথম অসমীয়া চনেট লিখা কবিগৰাকী হ'ল

*(i)* দেৱকান্ত বৰুৱা

*(ii)* নৱকান্ত বৰুৱা

*(iii)* হিতেশ্বৰ বৰবৰুৱা

*(iv)* হেমচন্দ্ৰ গোস্বামী

২। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) দ্ৰৌপদী কোন? তেওঁৰ অন্তৰত কাৰ প্ৰতি আকৰ্ষণ আছিল?

(খ) 'কাণখোৱা' পুথিৰ ৰচক কোন? তেওঁ কোন যুগৰ কবি?

(গ) "কবিতা হয় যদি হওঁক নহয় যদি নহওঁক"—বুলি কোনে কৈছিল? তেওঁৰ এখন কবিতা-পুথিৰ নাম লিখা।

(ঘ) প্ৰথম অসমীয়া ৰোমান্টিক কবিতাটো কোনখন কাকতত প্ৰকাশ পাইছিল? কাকতখনৰ প্ৰথম সম্পাদকগৰাকীৰ নাম লিখা।

(ঙ) হীৰেন ভট্টাচাৰ্য কি কবিৰূপে পৰিচিত? তেওঁৰ শিশু উপযোগী কবিতা-পুথি এখনৰ নাম লিখা।





(চ) লভিতাৰ ঘৰ অসমৰ কোন জিলাৰ, কোন গাঁওত আছিল?

(ছ) মফিজুদ্দিন আহমদ হাজৰিকাৰ দুখন কবিতা-পুথিৰ নাম লিখা।

৩। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) নাটকৰ উপাদান সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

(খ) মাধৱদেৱৰ চমু পৰিচয় দাঙি ধৰা।

(গ) ৰোমান্টিক কবিতা হিচাপে 'মালতী'ৰ এটি আলোচনা আগবঢ়োৱা।

(ঘ) "গোলাপ ককাইদেউ। গোলাপ ককাইদেউ। এৰি দিয়া —এৰি দিয়া। ময়ো পিতাইৰ লগতে মৰো।" ইয়াত কোনে, কি প্ৰসংগত মৰিবলৈ বিচাৰিছিল, চমুকৈ লিখা।

(ঙ) অসমৰ লোকনাট্য পৰম্পৰাত 'ওজাপালি'ৰ গুৰুত্ব বিচাৰ কৰা।

(চ) চুফীবাদ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ছ) পাঁচালী সাহিত্য সম্পৰ্কে চমু আলোচনা আগবঢ়োৱা।

(জ) মাধৱদেৱৰ ‘খেদ’ কবিতাটিত প্ৰকাশিত ভক্তিভাৱ সম্পৰ্কে আলোচনা আগবঢ়োৱা।

(ঝ) অজিত বৰুৱাৰ কাব্যিক প্ৰতিভা বিচাৰ কৰা।

(ঞ) আধুনিক কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) হীৰেন ভট্টাচাৰ্যৰ ‘মোৰ দেশ’ কবিতাটিৰ অন্তৰ্নিহিত দেশপ্ৰেমৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা।

(খ) নিৰ্মলপ্ৰভা বৰদলৈ ৰচিত ‘দ্ৰৌপদী’ কবিতাটিত নাৰী মনস্তত্ত্ব কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(গ) নৱকান্ত বৰুৱাৰ ‘পলস’ কবিতাটিত অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ পটভূমিত মানৱীয় কৰ্ম কেনেদৰে অভিব্যক্ত হৈছে, আলোচনা কৰা।

(ঘ) দ্বিতীয় বিশ্বযুদ্ধই আধুনিক অসমীয়া কবিতাৰ বিষয়বস্তু আৰু প্ৰকাশৰীতিলৈ কি কি নতুনত্ব আনিলে, বিচাৰ কৰা।

( Continued )





৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) জ্যোতিপ্ৰসাদ আগৰৱালাৰ ‘লভিতা’ নাটকত বিয়াল্লিছৰ গণ-আন্দোলন আৰু দ্বিতীয় মহাসমৰৰ চিত্ৰ কিদৰে প্ৰকাশিত হইছে, আলোচনা কৰা।

(খ) কৰুণা ডেকাৰ ‘লুইত কন্যা’ নাটকখনৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(গ) আধুনিক অসমীয়া নাটকৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

★ ★ ★